# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 01-05-2025

**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ooooo

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে কাইলৈ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সামৰি ল'বলগীয়া জিলাসমূহৰ ভিতৰত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলা আছে। ভোটগ্ৰহণৰ বাবে বিভিন্ন ভোট কেন্দ্ৰত নিয়োজিত বিষয়ববীয়াসকল ইতিমধ্যে কেন্দ্ৰলৈ ৰাওনা হৈছে।

**গোলাঘাট** জিলাত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে আজি পুৱাৰে পৰা প্ৰিজাইডিং পোলিং বিষয়াৰ লগতে নিৰাপত্তাৰক্ষীসকল নিজ নিজ ভোটকেন্দ্ৰ অভিমুখে যাত্ৰা কৰিছে। জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ২০খন জিলা পৰিষদ, ১০৮খন আঞ্চলিক পঞ্চায়ত আৰু এহেজাৰ ৮০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ হ'ব। জিলাখনত স্থাপন কৰা এহেজাৰ ১৬৪টা ভোটগ্ৰহণ কেন্দ্ৰত ৭ লাখ ৮৯ হাজাৰ ১২৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ২২৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

**শিৱসাগৰ** জিলাতো কাইলৈ ভোটগ্ৰহণৰ বাবে দায়িত্ববাহী বিষয়া তথা সুৰক্ষা কৰ্মীসকল সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছেগৈ। জিলাখনৰ বেতবাৰী আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছৰ দলৰ প্ৰাৰ্থী অচ্যুতানন্দ গগৈৰ আকস্মিক মৃত্যুৰ পৰিপ্ৰেক্ষিতত বেতবাৰী আঞ্চলিক পঞ্চায়ত নিৰ্বাচন স্থগিত ৰখা হৈছে। ফলস্বৰূপে কাইলৈ জিলাখনৰ  চাৰিখন আঞ্চলিক পঞ্চায়ত, ১২খন জিলা পৰিষদ, ৮২খন গাঁও পঞ্চায়ত আৰু ৮২০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ৮৫৮টা ভোটগ্ৰহণ কেন্দ্ৰত এই ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জিলাখনত দুহেজাৰ ২৯১গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ইয়াৰে ২১৬ গৰাকী আঞ্চলিক পঞ্চায়ত, ৩৭ গৰাকী জিলা পৰিষদ আৰু এহেজাৰ ৩৮ গৰাকী গাঁও পঞ্চায়ত সদস্যপদৰ প্ৰাৰ্থী। জিলাখনত ৫ লাখ এহেজাৰ ১৫১ গৰাকী ভোটদাতা আছে।

**ডিব্ৰুগড়** জিলাত আজি পুৱাৰে পৰা প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলে যাৱতীয় নথি-পত্ৰ সংগ্ৰহ কৰি ডিব্ৰুগড়, চাবুৱা আৰু লাহোৱাল সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। জিলাখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ৮ লাখ ৭১ হাজাৰ ৯৭৫।

**ধেমাজি** জিলাতো কাইলৈ ৫ লাখ ১০ হাজাৰ ৫৩৭ গৰাকী ভোটদাতাই ৭২৭টা ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। জিলাখনত এহেজাৰ ৮০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচনৰ বাবে নিয়োজিত ৩ হাজাৰ ৬০৯ গৰাকী বিষয়া-কৰ্মচাৰীৰ লগতে সুৰক্ষা কৰ্মীসকল প্ৰয়োজনীয় সামগ্ৰী লৈ ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হৈছে।

**বিশ্বনাথ** জিলাৰ ৭৪৭টা ভোটকেন্দ্ৰত ৪ লাখ ৭৪ হাজাৰ ৯২৭ গৰাকী ভোটদাতাই এহেজাৰ ৩১২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। জিলাখনত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৩৬ গৰাকী মাণ্ডলিক, ৭৪ গৰাকী ছেক্টৰ, ৮৯৬ গৰাকী প্ৰিজাইডিং আৰু দুহেজাৰ ৬৮৮ গৰাকী প'লিং বিষয়া নিয়োগ কৰা হৈছে।

**চৰাইদেউ** জিলাত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে কৰ্তব্যত নিয়োজিত নিৰ্বাচনী বিষয়াসকল ইতিমধ্যে প্ৰয়োজনীয় সামগ্ৰীসহ নিজ নিজ ভোটকেন্দ্ৰত উপস্থিত হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। **সোণাৰী** বিধানসভা সমষ্টিৰ অসম-অৰুণাচল আৰু অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলসমূহত নিৰাপত্তীৰক্ষী নিয়োগ কৰা হৈছে। জিলাখনত স্থাপন কৰা ৩৯৭টা ভোটগ্ৰহণ কেন্দ্ৰৰ ১২৮টা মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

ভাষাৰ ওজা, হেমকোষ অভিধানৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। হেমচন্দ্ৰ বৰুৱাৰ ১২৯ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি আজি গুৱাহাটী বিশ্ববিদ্যালয়ত শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ববিদ্যালয়ৰ চৌহদত থকা হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিমূৰ্তিস্থলীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত আৰু সাদিন প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱাই বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত অংশ লৈ বিশিষ্ট ভাষাবিদ তথা গৱেষক উপেন ৰাভা হাকাচাম, বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক কামালুদ্দিন আহমেদকে ধৰি অন্যান্য ব্যক্তিসকলে ভাষাৰ ওজাগৰাকীয়ে হেমকোষৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ কথা সুঁৱৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

**মৰিগাঁও** জিলা সাহিত্য সভাৰ উদ্যোগত সভাৰ কাৰ্যালয়ত আজি এই উপলক্ষে পুৰা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰা হয়। ইয়াৰ পাছত বন্তি প্ৰজ্বলন, স্মৃতিচাৰণ সভা আদি অনুষ্ঠিত হয়। অনুষ্ঠানত মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ সভাপতিকে প্ৰমুখ্য কৰি জিলা সাহিত্য সভাৰ আন আন বিষয়ববীয়াসকলে হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণাঢ্য জীৱন আৰু সোণসেৰীয়া কৰ্মৰাজীৰ সন্দৰ্ভত আলোকপাত কৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে অনলাইন ট্ৰেডিঙক লৈ বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা দুগৰাকী অভিযুক্ত বিশাল ফুকন আৰু তপন বৰা ওৰফে তাৰ্কিক বৰাৰ জামিন মঞ্জুৰ কৰিছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিব জ্যোতি শইকীয়াৰ বিচাৰপীঠে অভিযুক্ত দুজনৰ জামিন মঞ্জুৰ কৰে। দুয়োগৰাকী অভিযুক্ত কাইলৈ কাৰাগাৰৰ পৰা মুকলি হোৱাৰ সম্ভাৱনা আছে। ইপিনে, অনলাইন ট্ৰেডিঙক লৈ হোৱা বিত্তীয় অনিয়মৰ আন এগৰাকী অভিযুক্ত চুমি বৰাক বৰবৰুৱা থানাত ৰুজু হোৱা গোচৰত এতিয়াও কাৰাৰুদ্ধ হৈ আছে।

ooooo

সমাপ্ত